নিয়মীয়া বাৰ্তা
বৃহস্পতিবাৰ, ৩০ জানুৱাৰী ২০২৫

# ১ ফেব্ৰুৱাৰীত দিছপুৰ কলেজত চাকৰি মেলা

মহানগৰ বাৰ্তা, ২৯ জানুৱাৰী ঃ উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন, বিত্ত, নিগম লিমিটেড (নেডফি)ৰ পৃষ্ঠপোষকতাত আৰু নিপুনা মানৱ উন্নয়ন ছ'চাইটী আৰু সেৱা আন্তঃৰাষ্ট্ৰীয়ৰ উদ্যোগত দিছপুৰ কলেজত অহা ১ ফেব্ৰুৱাৰীত এখন চাকৰি মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত বিভিন্ন আগশাৰীৰ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিব। য'ত বিভিন্ন ক্ষেত্ৰৰ এহেজাৰতকৈও অধিক চাকৰি প্ৰদান কৰা হ'ব। ১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া চাকৰি মেলাত দশম-দ্বাদশ শ্ৰেণী পৰ্যায়ৰ, আইটিআই ডিপ্ল'মা ডিগ্ৰীধাৰী, স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। এই চাকৰি মেলাত অংশগ্ৰহণৰ বাবে অনলাইনযোগে পঞ্জীয়ন কৰাৰ লগতে ৭৩৩৭৩-৭৩৫৭৫ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি এক বিবৃতিত সদৰী কৰিছে নিপুনা মানৱ উন্নয়ন সমাজৰ প্ৰতিষ্ঠাপক শুভদ্ৰা ৰাণীয়ে। মেলাখনত নিৰ্মাণ, স্বাস্থ্য সেৱা, বিত্তীয় আদি ক্ষেত্ৰৰ বিভিন্ন প্ৰতিষ্ঠানৰ লগতে ফক্সকন, পেটিএম, এলএনটি ফাইনেন্স আদি প্ৰতিষ্ঠানেও অংশ ল'ব।



মহানগৰ বাৰ্তা, ২৯ জ
মহানগৰ জিলা আ
সভাকক্ষত আজি জি
আৰু নিৰীক্ষণ সমিতি
এখন বৈঠক অনুষ্ঠি
লোকসভা সমষ্টিৰ সাং
মেধিৰ অধ্যক্ষতাত অ
মহানগৰ জিলা আয়ু